মানৱ অধিকাৰলৈ হবচ, লক, ৰুছো আৰু ৰলচৰ অৱদান (Contribution of Hobbes, Locke, Rousseau and Rawls to Human Right):

সামাজিক চুক্তি তত্ত্ব (Social Contract Theory) মূল প্ৰৱক্তা সকল হ'ল টমাচ হবচ, জন লক আৰু জাঁ জেক ৰুছোৰ অৱদান উল্লেখনীয়। তেওঁলোকৰ মতে ৰাষ্ট্ৰ সৃষ্টিৰ পূৰ্বে মানুহ প্ৰকৃতি ৰাজ্যত বসবাস কৰিছিল আৰু প্ৰকৃতিগত ভাৱে লাভ কৰা অধিকাৰসমূহ উপভোগ কৰিছিল। প্ৰকৃতি ৰাজ্যত মানৱ সমাজ প্ৰাকৃতিক আইনৰ দ্বাৰা পৰিচালিত হৈছিল বুলি সামাজিক চুক্তি তত্ত্বৰ প্ৰৱক্তাসকলে বিশ্বাস কৰিছিল। উল্লেখযোগ্য মানৱ অধিকাৰৰ আধুনিক প্ৰৱক্তা হিচাপে খ্যাত জন ৰলচে তেওঁৰ A Theory of Justice গ্ৰন্থৰ দ্বাৰা সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁৰ মতে, সমাজৰ অৱহেলিত, নিষ্পেষিত সকলেও ~~সকলে~~ ন্যায় লাভ কৰিব পাৰে বা কৰা উচিত সেইক্ষেত্ৰত ওপৰত গুৰুত্ব দিছিল।

টমাচ হবচ (Thomas Hobbes): টমাচ হবচ (1588 - 1679) আছিল এজন অন্যতম বিশিষ্ট চিন্তাবিদ। ~~তেওঁ The Leviathan নামৰ গ্ৰন্থখন প্ৰকাশ হয়~~ তেওঁ The Leviathan (1651) নামৰ গ্ৰন্থখনত সামাজিক চুক্তি মতবাদৰ বিষয়ে উল্লেখ কৰি মানৱ অধিকাৰৰ ধাৰণাৰ আগবঢ়াইছিল। তেওঁৰ অন্যান্য গ্ৰন্থসমূহৰ ভিতৰত The Cive (1642), The Elements of Law (1650) De Corpore (1655) আৰু De Homine (1659) আদিয়ে প্ৰধান। টমাচ হবচ ব্যক্তিবাদী হিচাপেও বিখ্যাত। তেওঁ চৰম সাৰ্বভৌমত্বৰ পূৰ্ণ সমৰ্থক আছিল।

হবচৰ ধাৰণা অনুসৰি ৰাষ্ট্ৰ সৃষ্টিৰ আগতে ব্যক্তিয়ে প্ৰকৃতি ৰাজ্যত বাস কৰিছিল। প্ৰকৃতি ৰাজ্যত মানুহৰ সমস্ত ক্ষমতাৰ অধিকাৰী আছিল। কিন্তু আনৰ পৰা নিজকে ৰক্ষা কৰিব পৰা মানুহ তেওঁলোক ক্ষমতাশালী নাছিল। যিহেতু প্ৰকৃতি ৰাজ্যত মানুহে আইন বিহীন জীৱন অতিবাহিত কৰিব লগা হৈছিল। হবচৰ মতে, প্ৰকৃতি ৰাজ্যত মানুহৰ জীৱন নিসংগ, দৰিদ্ৰ, জঘন্য, পাশৱিক আৰু অনিশ্চিত আছিল (Man was the life solitary, poor, nasty, brutish and short) অৰ্থাৎ সেই সময়ত 'জোৰ যাৰ মুলুক তাৰ' (Might is right) নীতি অব্যাহত আছিল অধিক শক্তিশালী শ্ৰেণীয়ে দুৰ্বল শ্ৰেণীৰ ওপৰত শোষণ, অত্যাচাৰ কৰিছিল। ফলস্বৰূপে মানুহৰ জীৱনত নিৰাপত্তা নাছিল; তেওঁলোক অনিশ্চয়তাৰ বসবাস কৰিব লগা হৈছিল। এনে অৱস্থাৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে তেওঁলোকৰ মাজত এখন চুক্তি ~~সম্পাদিত আছিল~~ হ'ল। চুক্তি অনুসৰি জনসাধাৰণে তেওঁলোকে ভোগ কৰা সকলো অধিকাৰ ত্যাগ কৰি এজন ব্যক্তিৰ হাতত বা এদল লোকৰ হাতত অৰ্পণ কৰিলে। সেই কৰ্তৃপক্ষ সাৰ্বভৌম হিচাপে স্বীকৃত হ'ল।

হবচৰ মতে, স্বভাৱতে মানুহ সকলো সমান কিছুমান মানসিকভাৱে আৰু অন্য কিছুমান শাৰীৰিকভাৱে শক্তিশালী হ'লেও সামগ্ৰিকভাৱে সকলো সমান। কিন্তু তেওঁলোক এক বস্তুকে লাভ কৰাৰ হাবিয়াসত ফলত তেওঁলোকৰ মাজত সংঘাতৰ সৃষ্টি হয়। এনে সংঘাতৰ পৰা মুক্তি লাভৰ উদ্দেশ্যে সাৰ্বভৌম কৰ্তৃপক্ষৰ সৃষ্টি হ'ল। ~~হবচৰ মতে, সাৰ্বভৌমত্ব শাসনকৰ্তা~~ ক্ষমতা হবচে ৰাষ্ট্ৰৰ নিৰংকুশ, অপৰিসীম সাৰ্বভৌম ক্ষমতাৰ ওপৰত গুৰুত্ব দিছিল। সাৰ্বভৌমৰ এই ক্ষমতাক সীমাবদ্ধ কৰিব পৰা নাযায়। তেওঁৰ বাবে সাৰ্বভৌম আইন প্ৰণেতা। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে,

হ'বচৰ মতে ব্যক্তিক কোনো ধৰণৰ স্বাধীনতা প্ৰদান কৰা নাছিল আৰু তেওঁলোক শাসকৰ দয়াৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। কিন্তু প্ৰকৃতি ৰাজ্যত বসবাস কৰোঁতে মানুহে জীৱন ধাৰণৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ আত্মৰক্ষাৰ অধিকাৰ আৰু আত্মসংৰক্ষণৰ অধিকাৰ ভোগ কৰিব পাৰিছিল। কিন্তু চুক্তিত আবদ্ধ হোৱাৰ ফলত তেওঁলোক নেতিবাচক স্বাধীনতাৰ অধিকাৰী হ'ব লগা হ'ল। অৰ্থাৎ শাসক গোষ্ঠীয়ে অধিকাৰ প্ৰদান কৰিলেহে তেনে অধিকাৰ ভোগ কৰিব পাৰিছিল।

~~সাৰ্বভৌম~~ হ'বচৰ মতে, সাৰ্বভৌম কৰ্তৃপক্ষই যদি কোনো ব্যক্তিক নিজকে হত্যা কৰিবলৈ, আঘাত কৰিবলৈ, কষ্টকৰ হ'বলৈ বা কোনোবাই তেওঁক আঘাত কৰিলে উচিত হ'লে বাধা নিদিবলৈ আদেশ কৰিলে ব্যক্তিজনৰ সেই আদেশ অমান্য কৰাৰ অধিকাৰ থাকিব। অনুৰূপে, সাৰ্বভৌমত্বই যদি কয়, ঈশ্বৰ, মদ্য বা কোনো বস্তু যিহেতু অভিহান এজন ব্যক্তি জীয়াই থাকিব লোকেও সেইবোৰ ব্যৱহাৰ বা ভোগ কৰাত বাধা আজ্ঞা মানিবলৈ আদেশ কৰাৰ পিছত তাক তেওঁ তেনে সাৰ্বভৌম কৰ্তৃপক্ষৰ ব্যক্তিজন বাধ্য নহয়। কিয়নো সাৰ্বভৌম কৰ্তৃপক্ষৰ প্ৰতিষ্ঠাৰ মূল উদ্দেশ্যই হ'ল ব্যক্তিৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰা।

হ'বচৰ দৃষ্টিত আইনসমূহ আৰু প্ৰাকৃতিক অধিকাৰ সম্পূৰ্ণ পৃথক আছিল। প্ৰাকৃতিক অধিকাৰ ভোগৰ ক্ষেত্ৰত সকলো সমান। যিহেতু প্ৰাকৃতিক আইনৰ প্ৰধান মুখ্য বিষয়টো হ'ল সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা সেয়ে শান্তি ৰক্ষাৰ বাবে প্ৰত্যেক মানুহে আনকো নিজৰ সমানেই এজন বুলি গণ্য কৰা উচিত।

হ'বচৰ মতে প্ৰাকৃতিক অধিকাৰ হস্তান্তৰহীন। সেয়ে চুক্তিৰ সময়ত প্ৰাকৃতিক অধিকাৰ হিচাপে জীৱনৰ অধিকাৰক ত্যাগ কৰা নহয়। আনহাতে স্বাধীনতা অধিকাৰ, সম্পত্তিৰ অধিকাৰ আদিহে তৈ অৰ্পিত আৰু এই অধিকাৰসমূহ কৰ্তৃপক্ষই দান কৰে আৰু পৰিচালনা কৰে। হ'বচৰ সামাজিক চুক্তিৰ ধাৰণাই সমসাময়িক শাসনতন্ত্ৰৰ ঘটনাৱলী আৰু অস্থিৰতাৰ বিশ্লেষণ প্ৰতিফলিত কৰিছিল আৰু মানৱ অধিকাৰ বিকাশত অৰিহণা যোগাইছিল। উত্তৰ

জন ল'ক (John Locke) (1632–1704): সামাজিক চুক্তিৰ অন্যতম প্ৰৱক্তা জন লক ইংলেণ্ডৰ দাৰ্শনিক আছিল। তেওঁ বিশেষকৈ ইংলেণ্ডৰ গৌৰৱময় বিপ্লৱ (Glorious Revolution, 1688)ৰ সমৰ্থনত সামাজিক চুক্তি মতবাদৰ বিষয়ে উল্লেখ কৰিছিল। ~~আৰু~~ তেওঁৰ লিখনিসমূহ - A Letter on Toleration (1689) Two Treatises of Civil Govt (1690), A Second Letter on Toleration (1690), Essay Concerning Human Understanding (1690), A Third Letter on Toleration (1692) Some Thoughts Concerning Education (1693), ~~and~~ আৰু The Reasonableness of Christianity (1695)। কিন্তু তেওঁৰ Two Treatises of Civil Govt নামৰ গ্ৰন্থতে সামাজিক চুক্তি মতবাদ বিষয়ে আলোচনা কৰিছিল।

ল'কেও বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰ সৃষ্টিৰ পূৰ্বে মানুহে প্ৰকৃতি ৰাজ্যত বাস কৰিছিল। কিন্তু মানুহৰ প্ৰকৃতি সম্পৰ্কত ল'কৰ ধাৰণা হ'বচতকৈ পৃথক আছিল। তেওঁৰ মতে মানুহ স্বভাৱতেই শান্তি প্ৰিয়। জন ল'কৰ মতে প্ৰাকৃতিক ৰাজ্যত বসবাস কৰা লোকসকলৰ মাজত পাৰস্পৰিক বুজাবুজি আছিল। প্ৰকৃতি ৰাজ্যত লোকসকল জন্মৰ পৰা সকলো মানুহ স্বাধীন আৰু প্ৰত্যেক ব্যক্তিৰ বিদ্যমান প্ৰাকৃতিক অধিকাৰৰ যেনে: জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ আৰু সম্পত্তিৰ অধিকাৰ সমান

ভোগ কৰিছিল। কেৱল মানুহ হোৱা কাৰণেই মানুহে এই অধিকাৰবোৰ লাভ কৰিছিল আৰু উপভোগ কৰিছিল।

লকৰ মতে প্ৰকৃতি ৰাজ্যত মানুহে শান্তিপূৰ্ণভাৱে বসবাস কৰিছিল। প্ৰকৃতি ৰাজ্যখন প্ৰাকৃতিক আইনৰ দ্বাৰা পৰিচালিত হৈছিল। কিন্তু প্ৰকৃতি ৰাজ্যত কোনো আদালত আৰু বিচাৰ কৰ্তৃপক্ষ নথকাৰ ফলত মানুহে প্ৰাকৃতিক আইন নিজ নিজ সুবিধাৰ কাৰণে প্ৰয়োগ কৰাত সমাজত অশান্তিয়ে বিৰাজ কৰিছিল। প্ৰকৃতি ৰাজ্যত দেখা দিয়া অসুবিধাসমূহ দূৰ কৰাৰ উদ্দেশ্যেতে দুখন চুক্তিত আবদ্ধ হৈছিল। প্ৰথমতে, যিবোৰ অধিকাৰে এজন ব্যক্তিৰ অধিকাৰ হপৰত হস্তক্ষেপ কৰিছিল তেনে অধিকাৰ পৰিহাৰ কৰে আৰু অন্যখন চুক্তিৰ দ্বাৰা তেওঁলোকে নিজৰ জীৱন আৰু সম্পত্তি ৰক্ষাৰ দায়িত্ব এটা কৰ্তৃপক্ষৰ হাতত অৰ্পণ কৰিছিল।

ল'কৰ মতে প্ৰাকৃতিক আইন প্ৰকৃততে যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নৈতিক আইন। প্ৰাকৃতিক আইন সামাজিক আইনৰ পৰিপন্থী নহয়। প্ৰাকৃতিক আইনৰ মূল কথা হ'ল সকলো মানুহ সমান আৰু সকলোৱে সমান অধিকাৰ মৰ্যাদা ভোগ কৰে। প্ৰতিজন ব্যক্তিয়ে প্ৰাকৃতিক আইন জৰিয়তে নিজৰ লগতে আনৰ অধিকাৰবোৰ সন্মান কৰিছিল আৰু সুৰক্ষিত কৰিব পাৰিছিল। তেওঁৰ মতে, প্ৰকৃতি ৰাজ্যত মানুহে সহজাতভাৱে সম্পত্তিৰ অধিকাৰ লাভ কৰিছিল। এইক্ষেত্ৰত সমাজে নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতা নাছিল। যিহেতু এই অধিকাৰ সমাজে সৃষ্টি কৰা নাছিল। নাই; কেৱল ব্যক্তিৰ জীৱন স্বাধীনতা আৰু সম্পত্তি সুৰক্ষা দিয়াৰ ক্ষেত্ৰত যিমানখিনি নিয়ন্ত্ৰণৰ প্ৰয়োজন হয় সিমানখিনিহে সীমাবদ্ধতা আৰোপ কৰিব পাৰিছিল।

লকৰ সামাজিক চুক্তিৰ মতে, জনসাধাৰণে আটাইবোৰ প্ৰাকৃতিক অধিকাৰ সাৰ্বভৌম কৰ্তৃপক্ষৰ হাতত সমৰ্পণ কৰা নাছিল। কিছুমান অধিকাৰহে সমৰ্পণ কৰিছিল যিবোৰৰ সুৰক্ষাৰ দায়িত্ব সাৰ্বভৌম কৰ্তৃপক্ষৰ। এইক্ষেত্ৰত বাকী থকা অধিকাৰসমূহ সুৰক্ষিত কৰাত কৰ্তৃপক্ষ ব্যৰ্থ হ'লে জনগণে তেনে কৰ্তৃপক্ষক পদচ্যুত কৰি নতুন কৰ্তৃপক্ষ সৃষ্টি কৰি ল'ব পাৰিছিল।

~~ল'কৰ মানৱ অধিকাৰ ধাৰণাত~~

ল'কৰ সামাজিক চুক্তিৰ ধাৰণাত প্ৰতিফলিত মূল কথাকেইটা হ'ল - প্ৰত্যেক ব্যক্তিৰ জীৱন ধাৰণৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, ব্যক্তি স্বাধীনতাৰ অধিকাৰ থাকিব লাগিব, আৰু ব্যক্তিৰ আত্মৰক্ষাৰ অধিকাৰ থাকিব। ৰাষ্ট্ৰই এই অধিকাৰসমূহ ৰক্ষণাবেক্ষণ দিব আৰু অধিকাৰসমূহ সুৰক্ষিত কৰিব নোৱাৰিলে সাৰ্বভৌম কৰ্তৃপক্ষক ভংগ কৰিব পৰা অধিকাৰ জনসাধাৰণৰ হাতত ন্যস্ত থাকিব।